**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য ঃ**

যুদ্ধোত্তৰ অথবা ৰামধেনু যুগৰ গল্পকাৰসকলৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ এক সুকীয়া মূল্য আছে। এইগৰাকী লেখকৰ হাততেই অসমীয়া চুটি গল্পত সামাজিক বাস্তৱবাদ অধিক স্পষ্ট হৈ উঠিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সৰহভাগ গল্পৰে আদৰ্শ হ'ল সমাজতান্ত্ৰিক বাস্তৱবাদ।[৫৩] এনেধৰণৰ সমাজ সচেতনতাৰ বাবেই ভট্টাচাৰ্যৰ গল্পত বিদ্ৰোহী চেতনা এটাই অন্তঃসলিলা ৰূপত প্ৰবাহিত হৈ থকা দেখা যায়। কিন্তু লেখক গৰাকীৰ এই বিদ্ৰোহী চেতনা কতো স্পষ্ট হৈ থকা নাই। ভট্টাচাৰ্যৰ গল্পৰ সফলতাৰ ইও এটা বিশিষ্ট দিশ।

ভট্টাচাৰ্যৰ গল্পতেই নৰ-নাৰীৰ যৌন মনঃস্তত্ত্বৰ সফল প্ৰয়োগ হোৱা দেখা যায়। ছিৰালা আৰু চিন্দুইন, শলিতা মামী, মনু আৰু বাৎসায়ন আদি গল্পৰ মাজত চিগমাণ্ড ফ্ৰয়েডৰ যৌন মনঃস্তত্ত্বৰ প্ৰয়োগ লক্ষ্য কৰা যায়। অসমীয়া চুটিগল্পত মনোবৈজ্ঞানিক সত্যৰ বাস্তৱ ৰূপায়ণ ভট্টাচাৰ্যৰ গল্পতেই অতি সফল ৰূপত হোৱা দেখা যায়।[৫৪] কিন্তু ভট্টাচাৰ্যৰ গল্পত ফ্ৰয়েজৰ যৌন মনঃস্তত্ত্বৰ পোনপটীয়া প্ৰকাশ হোৱা নাই। ভট্টাচাৰ্যৰ গল্পত নৰ-নাৰীৰ মৌলিক প্ৰবৃত্তিৰূপে প্ৰেমে কিদৰে মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰি ৰাখে; তাৰ অতি সূক্ষ্ম আৰু বাস্তৱ ব্যাখ্যা কৰা হৈছে।

চুটি গল্পত চৰিত্ৰ সৃষ্টিৰ বেলিকাও বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দক্ষতা স্বীকাৰ কৰিব লাগিব। চৰিত্ৰৰ মাজেদি লেখক গৰাকীৰ বক্তব্য প্ৰকাশ পালেও ভট্টাচাৰ্যৰ গল্পৰ চৰিত্ৰবোৰ লেখকৰ বক্তব্য প্ৰকাশৰ বাহক হৈ উঠা নাই। ভট্টাচাৰ্যৰ চৰিত্ৰবোৰ বাস্তৱধৰ্মী, গতিশীল আৰু নিয়ন্ত্ৰণ মুক্ত। সন্দেহ নাই যে, লেখকে চৰিত্ৰৰ মাজেদি একোটা ভাৱ বা বক্তব্য প্ৰকাশ কৰিবলৈ যত্ন কৰে।[৫৫] কিন্তু কোনো পাঠকেই চৰিত্ৰৰ মাজেদি লেখকে কি ক'বলৈ বিচাৰিছে; তাৰ সন্ধান কৰি চুটি গল্প নপঢ়ে। চুটি গল্পত পাঠকে বাস্তৱ মানুহৰ জীৱন চিত্ৰৰ যোগেদি মানুহৰ জীৱনৰ সনাতন সত্যৰ সন্ধান কৰে।[৫৬] সেইবুলি চুটি গল্পৰচৰিত্ৰত বাস্তৱ জীৱনৰ নগ্ন ৰূপটোৰ ছবি চিত্ৰণ কৰা নহয়। বাস্তৱ মানুহৰ জীৱনক অংকন কৰিলেও বিভিন্ন কলাকৌশলৰ

---

৫৩. (ক) বৰা, মহেন্দ্ৰ ঃ এক জেনেৰেচন-গল্পলেখক, চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পাদিত) প্ৰকাশ, দশম বছৰ, প্ৰথম সংখ্যা পৃঃ ১৯৬

(খ) বৰকটকী, মুনীন ঃ যোৱা পঁচিশ বছৰৰ অসমীয়া চুটিগল্প, নগেন শইকীয়া (সম্পাদিত) আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ, পৃঃ ১৯১

৫৪. গোস্বামী, ত্ৰৈলোক্যনাথ ঃ চুটিগল্প, হোমেন বৰগোহাঞি (সম্পাদিত) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, পৃঃ ৭০

৫৫. Ridout, Albert K. (ed) : Introduction to the Short Stories for discussion, p. XIV

৫৬. ibid, p. XIV

প্ৰয়োগেৰে চৰিত্ৰৰ বিশিষ্ট আৰু বিচিত্ৰ দিশ কিছুমানহে পোহৰলৈ আনিবৰ বাবে যত্ন কৰা হয়। উল্লেখযোগ্য যে, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ চৰিত্ৰবোৰ বাস্তৱ জীৱনৰ দৰে গতিশীল আৰু ক্ৰিয়াশীল।

ভট্টাচাৰ্যৰ চুটিগল্পৰ আটাইতকৈ মোহনীয় বৈশিষ্ট্য হ'ল নাট্যগুণধৰ্মিতা। ইতিপূৰ্বে আলোচ্য গল্প কেইটাৰ প্ৰত্যেকটোতে এই নাট্যগুণধৰ্মিতাৰ সুপ্ৰয়োগৰ বিষয়ে আলোচনা কৰা হৈছে। সেইদৰে ভট্টাচাৰ্যৰ প্ৰায়বোৰ গল্পতে নাটকীয় পৰিস্থিতি নিৰ্মাণ কৰি পাঠকৰ মানসপটত ঘটনাৰ পৰিৱেশ অতি চিত্ৰময় কৰি তোলা দেখা যায়। তদুপৰি ভট্টাচাৰ্যৰ গল্পই পাঠকৰ মনত মনোৰঞ্জন প্ৰদান কৰাত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে কাব্যিকতাই। এই কাব্যিকতা গুণ আহৰণ কৰিছে ভট্টাচাৰ্যৰ বৰ্ণনাভঙ্গীৰ কলাসুলভ গুণৰ বাবে। উপমা, প্ৰতীক, কল্পচিত্ৰ আদিৰ প্ৰয়োগৰ দ্বাৰা বৰ্ণনা ভঙ্গীক কলাসুলভ কৰি তুলিব পাৰিলেই চুটিগল্প ৰসোত্তীৰ্ণ হৈ উঠে।[৫৭] ভট্টাচাৰ্যৰ চুটিগল্পত এনে কলাসুলভ বৰ্ণনাভঙ্গী লক্ষ্য কৰা যায় আৰু ইয়াৰ বাবেই ভট্টাচাৰ্যৰ গল্পত কাব্যিক আবেদন এটা পাঠকে অনুভৱ কৰে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত নৰ-নাৰীৰ যৌন প্ৰেমৰ কথা যিদৰে আছে; সেইদৰে আধ্যাত্মিক চেতনা এটায়ো ভট্টাচাৰ্যৰ গল্পক গভীৰতা দান কৰি থকা দেখা যায়। জীৱনক যি দৃষ্টিভঙ্গীৰেই নাচাওক লাগিলে; ভট্টাচাৰ্যই জীৱনৰ প্ৰমূল্যক উপলব্ধি কৰিছে আধ্যাত্মিক বোধ আৰু বুদ্ধিৰ মাজেদিহে। ভট্টাচাৰ্যৰ মাকণৰ গোসাঁই, ঈদৰ জোন আদি গল্পত এই বিশেষ দৃষ্টিভঙ্গীটো অনুভূত হয়। গতিকে ভট্টাচাৰ্যই সমাজবাদত বিশ্বাস কৰিব পাৰে; কিন্তু ভট্টাচাৰ্যৰ আদৰ্শবাদ প্ৰকাশিত হৈছে আধ্যাত্মিক উপলব্ধিৰ মাজেদিহে। ভট্টাচাৰ্যই এঠাইত কৈছে – "যেতিয়া এজন শিল্পীয়ে আদৰ্শ উত্তাৱনা উদ্দীপনাত দৃষ্টি হেৰুৱাই তেতিয়া মই দুখ পাওঁ।"[৫৮] গতিকে ওপৰৰ উক্তিৰ পৰাই সহজে ধাৰণা কৰিব পাৰি যে, ভট্টাচাৰ্যই সাহিত্যৰ দৰে কলাৰ মাজেদি জীৱনৰ আদৰ্শ প্ৰচাৰ কৰিব খোজে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ আঙ্গিক কৌশলৰ দিশতো কেইটামান বিশিষ্ট দিশ দৃষ্টি-গোচৰ হয়। ভট্টাচাৰ্যৰ গল্পৰ সম্পৰ্কত জ্ঞানানন্দ শৰ্মাপাঠকে মন্তব্য কৰি কৈছে – "ভট্টাচাৰ্যই আঙ্গিকৰ ফালটোৰ কথা নেভাবে। যেতিয়া অকণমানো ভাবে; তেতিয়া তেওঁ লেখে ধুনিয়া গল্প।"[৫৯] ভট্টাচাৰ্যৰ গল্পৰ আঙ্গিক কৌশলৰ

---

৫৭. Shaw, Valerie : The Short story : A critical Introduction, p. 46

৫৮. ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ : আমাৰ প্ৰতিনিধি, পৃঃ ৫৫৮

৫৯. শৰ্মা পাঠক, জ্ঞানানন্দ : উল্লিখিত গ্ৰন্থ, পৃঃ ১২৯